# HOME ASSIGNMENT

## MAYANG ANCHALIK COLLEGE

### DEPARTMENT OF ASSAMESE

**PAPER- 1016**


**SUBMITTED TO,**

Charuprava chaliha

ASSISTANT PROFESSOR,
DEPT. OF ASSAMESE,
MAYANG ANCHALIK COLLEGE,
MAYANG.

**SUBMITTED BY,**

**RUDRA BARUAH,**
ROLL NO.-81,
B.A. 1ST SEMESTER,
DEPT.OF ASSAMESE,
MAYANG ANCHALK COLLEGE,

৪. বৈষ্ণৱ ধৰ্মৰ পটভূমি সম্পৰ্কে এটি আলোচনা যুগুত কৰা ?

Ans: শংকৰদেৱক কেন্দ্ৰ কৰি অসম, কামৰূপ আৰু কমতাপুৰত নৱবৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয়। ভাৰতবৰ্ষৰ আন অঞ্চলৰ দৰে অসমতো ভক্তিয়ে নৱবৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত প্ৰধান চালিকা শক্তি স্বৰূপে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্লাৱিত বৈষ্ণৱ জাগৰণৰ প্ৰবাহ-প্ৰক্ৰিয়াৰ পৰা অসমৰ নৱবৈষ্ণৱ জাগৰণক পৃথক কৰিব নোৱাৰি। সাহিত্য সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই ভক্তি আন্দোলনৰ বিকাশ আৰু প্ৰসাৰতাৰ মূৰ্ত কাৰণ দেখুৱাইছে যে ব্যয়বহুল ৰাজকীয় আৰু বাহুল্য নীতি নিয়মৰ পৰিবৰ্তে সহজ সৰল উপাসনা পদ্ধতি, ব্যক্তিত্ব সম্পন্ন চৰিত্ৰবান সন্তসকলৰ মহত্বপূৰ্ণ প্ৰচাৰ কাৰ্য, ৰাজকীয় পৃষ্ঠপোষকতা লাভ- কোচৰজা নৰনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণ আদি, কথিত ভাষাৰে সংস্কৃত গ্ৰন্থৰ কাহিনী আখ্যান উপাখ্যানৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠত্বৰ কথা প্ৰচাৰ আৰু ভক্তিধৰ্ম বিৰোধীৰ লগত যুক্তিপূৰ্ণ বাকবিতণ্ডা, সাহিত্য, নাটক, গীত- ভাওনা পৰিৱেশন কৰা আৰু ঠায়ে ঠায়ে সত্ৰ আৰু সত্ৰৰ গাঁৱে গাঁৱে নামঘৰ প্ৰতিষ্ঠাৰ জৰিয়তে ধৰ্ম প্ৰচাৰ কৰা- এই আটাইকেইটা বৈশিষ্ট্য আৰু কাৰণৰ মাজেৰে শংকৰদেৱে প্ৰচাৰিত নৱবৈষ্ণৱ জাগৰণে অসমত আজিও প্ৰসাৰ লাভ কৰি আছে। বৈষ্ণৱ ধৰ্মৰ নৱবিকশিত ৰূপত এনে কিছুমান লক্ষণ আৰু বৈশিষ্ট্য প্ৰকাশ পাইছিল যি পুৰণি ধৰ্মটোৰ পৰা বিচ্ছিন্ন এটি বস্তু যেন লগা হ'ল। ইয়াৰ ভিতৰত গোপাল গোবিন্দ যদু নন্দন শ্ৰীকৃষ্ণ চৰিত্ৰৰ প্ৰাধান্য আৰু বিষ্ণু ভগৱান স্বয়ং

হ'লেও শ্ৰীকৃষ্ণৰ প্ৰতি বৈষ্ণৱসকলৰ একান্ত আনুগত্যই একত্ব লাভ কৰিছে। সেয়ে আলোচক বাণীকান্ত কাকতিৰ মতে ভাৰতৰ বিভিন্ন ধৰ্ম প্ৰতিষ্ঠাতাসকলৰ ভিতৰত আনকি সমসাময়িক ধৰ্মগুৰুসকলৰ ভিতৰতো কেৱল শংকৰদেৱেহে অতি সন্মানিত মহাপুৰুষ আখ্যাটো পাব পাৰিছে। সেয়েহে শংকৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মটোৰ জনপ্ৰিয় নাম হ'ল মহাপুৰুষীয়া ধৰ্ম।

শংকৰদেৱে বিশ্বাস আৰু ভক্তিৰ ওপৰত অধিক গুৰুত্ব দিছিল। সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ লোকৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিয়েই আছিল শংকৰদেৱৰ মূল লক্ষ্য। স্বৰূপাৰ্থত তেওঁৰ দ্বাৰা প্ৰচাৰিত ভক্তি ধৰ্মই জনসাধাৰণক একফালে দিছিল সংস্কৃতি আৰু আনফালে দিছিল আধ্যাত্মিক চেতনা। ধৰ্মীয় উপদেশতে আবদ্ধ নাথাকি সাহিত্য-সংস্কৃতিৰ মাজেৰে জনসাধাৰণক ভক্তিৰসত অৱগাহন কৰাইছিল। সেই কাৰণেই শংকৰদেৱে পুথি-পাঁজি, চিত্ৰবিদ্যা, নাট-অভিনয়ৰ সহায় লৈছিল আৰু ভক্তিধৰ্মৰ স্থায়ীৰূপ পৰিগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। বাণীকান্ত কাকতিৰ মতে বুৰঞ্জীৰ এইটো নিৰ্ঘাত সত্য যে যেতিয়া কোনো ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মহাজাতীয় উদ্বোধনৰ কেন্দ্ৰস্থ শক্তি ৰূপে পৰিগৃহীত হয়, তেতিয়া কাব্য, গীত, ভাওনা, চিত্ৰবিদ্যা, ভাস্কৰ্য, সুকুমাৰ শিল্পৰ সকলোবোৰ অংগই সেই ঐশ্বৰিক পুৰুষৰ চৰিত্ৰ মাহাত্ম্য প্ৰকাশত নিয়োজিত হয়। এই কৃষ্ণ চৰিত্ৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদেশিক ভাষাবোৰত যিমান ডাঙৰ সাহিত্য আছে বোধহয় পৃথিৱীৰ কোনো মহাপুৰুষক লৈ তেনে সাহিত্য সৃষ্টি হোৱা নাই। এই বিশাল বৈষ্ণৱ সাহিত্যক এক

উদ্দেশ্য জনসমাজত আগত কৃষ্ণ চৰিত্ৰ সমুজ্জ্বল কৰি ধৰা, কিয়নো ভাৰতীয় মহাজাতীয় বৈষ্ণৱ আন্দোলনত কৃষ্ণৰ শিকানিতকৈ তেওঁৰ চৰিত্ৰ বোধি ডাঙৰ উদ্বোধনী শক্তি আছিল। শংকৰদেৱেও তেওঁৰ ৰচনাৰাজিত শ্ৰীকৃষ্ণৰ শিকানিতকৈও তেওঁৰ চৰিত্ৰৰ বিভিন্ন দিশ বিশেষকৈ আধ্যাত্মিক দিশত অধিক গুৰুত্ব দিছিল। দ্বিতীয়তে অসমৰ নৱবৈষ্ণৱ ধৰ্ম বা ভক্তিতত্ত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ প্ৰসংগত অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি আৰু কলিকা ৰক্ষা কৰাত গুৰুত্ব দিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ এক কলাত্মক আৱেষ্টন — ধৰ্ম সাধনা আৰু কলা সাধনা উভয়ে আছিল শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তি ধৰ্মৰ চালিকা শক্তি। শংকৰদেৱৰ পূৰ্বে যে পুৰণি অসমত বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তিত হৈ আছিল তাত সন্দেহ নাই, কিন্তু সেই বৈষ্ণৱ ধৰ্মই জনগণক স্পৰ্শ কৰিব পৰা নাছিল; কিন্তু শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মই ভক্তিৰ সহায়ত সৰ্বজনৰ মান প্ৰাণ হৃদয় স্পৰ্শ কৰিব পাৰিছিল। অসমত নৱবৈষ্ণৱ ধৰ্মৰ আন আন প্ৰচাৰসকল হ'ল — মাধৱদেৱ, দামোদৰদেৱ, মথুৰা দাস বুঢ়া আতা, নাৰায়ণ দাস ঠাকুৰ আতা, বৰবিষ্ণু আতা, বদুলা পদ্ম আতা, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ, কেশৱচৰণ, কনকলতা আই আদি। এই ভাগৱতৰ ভাবিয়তে উদ্ভুৱ হোৱা কবি সাহিত্যিকসকল হ'ল — মাধৱদেৱ, ভট্টদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলি আদি।

কলিযুগত যুগধৰ্মৰ প্ৰভেদত ভিন্ ভিন্ ধৰ্মক আচাৰিলেও "কীৰ্ত্তনে সবাকো ফল পায়ে" — এইকথাৰে একেতিৰ শ্ৰেষ্ঠত্বক প্ৰতিপন্ন কৰিবলৈ শংকৰদেৱে দোগৰত ধৰ্মীয় দৰ্শনত

অধিক গুৰুত্ব দিয়াটো পৰিলক্ষিত হৈছে। সত্য, ত্ৰেতা, দ্বাপৰ আৰু কলি — এই চাৰিওটা যুগৰ ধৰ্মৰ স্থিতিৰ কথাৰ লগতে হৰিভক্তিৰ শ্ৰেষ্ঠত্বৰ কথাৰে অন্ত্যজ জাতিৰ ভক্তি সিদ্ধিৰ কথাও সুকীয়াকৈ ব্যাখ্যা কৰিছে। শংকৰদেৱে নামধৰ্মত ভক্তিৰ মাহাত্ম্য ঘোষণা কৰা বাবে এই ধৰ্মক ভক্তিধৰ্ম বুলিও কোৱা হয়। ভক্তিয়ে নৱবৈষ্ণৱ ধৰ্মৰ মূল কথা। এই ভক্তি নৈতিক, আধ্যাত্মিক আৰু নান্দনিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। ভক্তিৰ লগতে তেওঁ আচাৰ নীতিকো জড়িত কৰিছে। দুষ্কৃতিৰ দ্বাৰা সমাজ জীৱনক কলুষিত কৰিব নোৱাৰে — এই দৃষ্টি ৰাখি সচেতন মানৱ সম্পদ গঢ়া আৰু সুস্থ সমাজ গঢ় দিয়াই আছিল নৱবৈষ্ণৱ ধৰ্মৰ লক্ষ্য।

খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ আগে-পাছে সময়ছোৱা কেৱল অসমৰ কাৰণেই যুগান্তকাৰী নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণেই আলোড়নকাৰী। এই আলোড়ন সৃষ্টি কৰিছিল সমগ্ৰ ভাৰতবৰ্ষ জুৰি হোৱা নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলনে। ইউৰোপৰ ৰেনেছাঁ অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাৰ্টিন লুথাৰৰ প্ৰোটেষ্টাণ্ট ধৰ্মৰ প্ৰৱৰ্তন আৰু প্ৰাচীন-লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰভ্যুদয় ঘটিছিল। এই আন্দোলনৰ সৰ্বতোমুখী বিকাশৰ সম্যক উপলব্ধি কৰিবলৈ হ'লে ভক্তিধৰ্মৰ অভ্যুদয়ৰ চমু ইতিবৃত্ত জনাৰ প্ৰয়োজন।

বৈষ্ণৱ ধৰ্মৰ আঁতি-গুৰি বিচাৰিবলৈ হ'লে আমি খ্ৰীষ্টপূৰ্ব কেইবাশতিকাৰ আগলৈ উজাই যাব লাগিব। বিষ্ণু বৈদিক দেৱতা, বেদত তেওঁ সূৰ্যৰে এক অভিব্যক্তি। এই

বিষ্ণুৰেই কালক্ৰমত সাত্বত সকলৰ বাসুদেৱ, পাঞ্চৰাত্ৰ সকলৰ নাৰায়ণ, আভীৰবোৰৰ গোপাল-কৃষ্ণৰ লগত অভেদ হৈ শ্ৰেষ্ঠ দেৱতা ৰূপে স্থান দিয়ে। খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ পাণিনিৰ অষ্টাধ্যায়ীৰপৰা আৰম্ভ কৰি বিভিন্ন যুগৰ নানা সাহিত্য, শাস্ত্ৰ, প্ৰত্নলিপিত বিষ্ণু-নাৰায়ণ আৰু বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ পোৱা যায়। মহাভাৰতকে প্ৰমুখ্য কৰি নানা পুৰাণ আৰু সংহিতা বৈষ্ণৱ ধৰ্মৰ সাধন পদ্ধতি আৰু মাহাত্ম্য প্ৰচাৰৰ অৰ্থে ৰচনা কৰা হয়। মহাভাৰতৰ 'শ্ৰীমদ্ভাগৱদ্গীতা' আৰু শান্তি পৰ্বত 'নাৰায়ণীয় আখ্যান'ত বৈষ্ণৱ ভক্তি পন্থাৰ বিশেষ বিৱৰণ পোৱা যায়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পৰৱৰ্তী বহুতো প্ৰত্নলিপিত বাসুদেৱ, বিষ্ণু আদি দেৱতাৰ নাম আৰু প্ৰশস্তি পোৱা যায়।

খ্ৰীষ্টীয় সপ্তম-দশম শতাব্দীত তামিল দেশৰ আলৱাৰ ভক্তসকলে বৈষ্ণৱ ধৰ্মক অতিশয়ভাৱে জনপ্ৰিয় কৰি তোলে আৰু এই সময়ৰপৰা বৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি। ভক্তিৰ উচ্ছ্বাস প্ৰকাশ কৰি তেওঁলোকে তামিল ভাষাত কেইবাহাজাৰ গীত ৰচনা কৰি গৈছে। এই ভক্তিপ্ৰধান গীতসমূহক তামিল বেদ স্বৰূপে সেই ঠাইৰ বৈষ্ণৱসকলে জ্ঞান কৰে। তেওঁলোকে কৰ্মবহুল আৰু আচাৰ-প্ৰধান সাধন পদ্ধতিতকৈ আন্তৰিক আৰু ঐকান্তিক শ্ৰদ্ধা, প্ৰেম আৰু ভক্তিক বেছি মূল্য দি গৈছে। তেওঁলোকে বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহ আৰু কৃষ্ণৰ বিশেষকৈ বালকৃষ্ণৰ উপাসক আছিল। এই প্ৰসংগত উল্লেখযোগ্য যে বিষ্ণুৰ মায়া, কৰুণা যা পুষ্টিৰ প্ৰতীক লক্ষ্মীক বিষ্ণুৰ লগত তেওঁলোকে অভিন্নৰূপে সৃষ্টি কৰিছিল। ঈশ্বৰৰ লগত আন্তৰিক সংযোগ স্থাপনৰ অসীম আকাংক্ষা গীতবোৰত প্ৰকাশ পাইছে। সাংসাৰিক সুখ,

আনকি স্বৰ্গপ্ৰাপ্তিকো তেওঁলোকে ঈশ্বৰভক্তিৰ তুলনাত অৱজ্ঞাৰ চকুৰে চাইছিল। আলৱাৰসকলৰ ভিতৰত কেইবাজনো নিম্নশ্ৰেণীৰ হিন্দু আছিল আৰু এগৰাকী নাৰীও আছিল। সম্ভৱতঃ এই সময়তে আলৱাৰভক্তিৰ আদৰ্শমতে 'ভাগৱত পুৰাণ' ৰচিত হয়। মধ্যযুগৰ ভক্তিধৰ্ম বিকাশত এই পুৰাণৰ অৱদান অপৰিসীম।

আলৱাৰসকলৰ শেষভক্ত নাথমুনিৰ পাছত সেই ঐতিহ্যতে বৈষ্ণৱ আচাৰ্যসকলৰ আবিৰ্ভাৱ হয়। এই আচাৰ্যসকলৰ ভিতৰত প্ৰসিদ্ধ যমুনাচাৰ্য আৰু ৰামানুজ। ৰামানুজ দ্বাদশ শতিকাৰ লোক। ৰামানুজাচাৰ্যই ভক্তিক দাৰ্শনিক ভেটিত স্থাপন কৰি শ্ৰীবৈষ্ণৱ সম্প্ৰদায় সৃষ্টি কৰি ভক্তি আন্দোলনৰ সূত্ৰপাত কৰে। ৰামানুজৰ দাৰ্শনিক মতবাদক বিশিষ্টাদ্বৈতবাদ বোলা হয়। ৰামানুজৰ প্ৰায় সমসাময়িক নিম্বাকাচাৰ্যই ভেদাভেদ দাৰ্শনিক সিদ্ধান্ত থিয় কৰাই ভক্তিমত প্ৰচাৰ কৰে। ৰাধাকৃষ্ণৰ যুগলমূৰ্তিৰ উপাসনা এই সম্প্ৰদায়ৰ বিশেষত্ব। কৰ্ণাটক আৰু গুজৰাটত মধ্বাচাৰ্যৰ বা আনন্দতীৰ্থই দ্বৈতসিদ্ধান্ত স্থাপন কৰি ত্ৰয়োদশ শতিকাত বৈষ্ণৱ ভক্তি প্ৰচাৰ কৰে। মহাৰাষ্ট্ৰ প্ৰান্তত জ্ঞানদেৱ আৰু নামদেৱ আদিয়ে দ্বাদশ-ত্ৰয়োদশ শতিকাৰ ভিতৰত ভক্তিধৰ্ম প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰে। এইদৰে দক্ষিণ আৰু পশ্চিম ভাৰতত খ্ৰীষ্টীয় দ্বাদশ আৰু চতুৰ্দশ শতিকাৰ ভিতৰত ভক্তিধৰ্মই বিভিন্ন বৈষ্ণৱ পণ্ডিত, সন্ত, আৰু ভক্ত পৰম্পৰাৰ যোগেদি প্ৰসাৰ আৰু প্ৰতিপত্তি লাভ কৰে।

উত্তৰ ভাৰতত চতুৰ্দশ-পঞ্চদশ শতিকাতহে বৈষ্ণৱ আন্দোলনে দেখা দিয়ে, এই বিষয়ত প্ৰথমতে ৰামানন্দ আৰু তাৰ পিছত কবীৰ, বল্লভাচাৰ্য, দাদুদয়াল আদিৰ নাম উল্লেখযোগ্য, কথিত আছে ৰামানন্দই দক্ষিণৰ দ্ৰাবিড় দেশৰপৰা ভক্তিপন্থ আনি উত্তৰ ভাৰতত স্থাপন কৰিছি। এই প্ৰসংগত এটা প্ৰাচীন হিন্দী বচন আছে:

8. প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন? তেওঁৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনা কৰা?

Ans:- প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি হ'ল মাধৱ কন্দলী।

যিকোনো আধুনিক ভাৰতীয় আঞ্চলিক ভাষাতে সুদূৰ চতুৰ্দশ শতিকাতে বাল্মীকী ৰামায়ণ অনুবাদ কৰি সৰ্বভাৰতীয় পৰ্যায়ত এক উল্লেখনীয় কৃতিত্বৰ অধিকাৰী হোৱা মাধৱ কন্দলী অসমীয়া কাব্য সাহিত্যৰ আদি বৈষ্ণৱ যুগৰ প্ৰধান কাণ্ডাৰী। তেখেতৰ হাতত অসমীয়া কবিতাৰ প্ৰবাহে এক সুনিৰ্দিষ্ট তথা স্বকীয় গতি লাভ কৰে। সেয়েহে অসমীয়া কাব্য সাহিত্যৰ পৰম্পৰাত মাধৱ কন্দলী আৰু তেওঁৰ ৰামায়ণে সদায় স্মৰণীয় ভূমিকা পালন কৰিছে।

এইজনা কবিৰ জীৱন আৰু কৃতিৰ বিষয়ে বিচাৰ কৰিবলৈ গ'লেও আমি কোনো তথ্যভিত্তিক সঠিক পৰিচয় আজি-কোপতি পোৱা নাই। তেখেতে নিজে ৰামায়ণত এটি যোৱা ভণিতাৰ বাহে বিতং কোনো সম্বল পোৱা নাযায়, এটি ভণিতাত তেখেতে কৈছে—

কবিৰাজ কন্দলীয়ে আমাকেহে বুলি কয়
বিৰচিলা পদে ৰাম কথা।

ইয়াত পৰা এই কথাও আমি কব পাৰো যে- 'কবিৰাজ' উপাধিটো সম্ভৱতঃ সেই সময়ৰ সমাজৰ পৰা লাভ কৰা।
আকৌ লংকা কাণ্ডৰ শেষত তেখেতে এনেধৰণৰ ভণিতা কৰিছে-

ৰামায়ণ সুপয়াৰে শ্ৰী মহামাণিক্য যে
বৰাহ ৰজাৰ অনুৰোধে।

এই ভণিতাত উল্লেখ থকা কন্দলীৰ পৃষ্ঠপোষক এই মহামাণিক্যৰ ইতিহাস সঠিককৈ য়ুগুতাব পাৰিলেই কন্দলীৰ ইতিহাসো জল্ জল্ পট্ পট্ কৈ ওলাই পৰিব। বৰাহী ৰজাৰ শাসনকাল আৰু স্থানৰ সঠিক বিৱৰণে এই ক্ষেত্ৰত প্ৰধান ভূমিকা ল'ব পাৰে যদিও ইয়াক লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য ঘটা দেখা যায়।

শংকৰদেৱে উত্তৰাকাণ্ডত দিয়া ভণিতাৰ 'পূৰ্ব কবি' উদ্ধৃতিৰ পৰা মহামাণিক্য আৰু মাধৱ কন্দলী উভয়কে সন্দেহাতীতভাৱে চৈধ্য শতিকাৰ যেন অনুমান হয়। কিন্তু আহোম-সকলে পৰাভূত কৰা উক্ত জাতিৰ বৰাহী কছাৰী ৰজাসকলৰ ভিতৰত মহামাণিক্যৰ নামৰ কোনো উল্লেখ নথকালৈ চাই সৰ্বাংশ অসমত ৰজা যেনহে যুক্তি ওলায়। লক্ষণীয় যে মাধৱ কন্দলীৰ ভণিতাযুক্ত ৰামায়ণৰ সাঁচিপতীয়া প্ৰতিলিপিৰ কাণ্ডকেইটা মধ্যঅসম অঞ্চলত পোৱালৈ চাই উত্তৰ অসম বুলিয়েই ধৰিব পাৰি।

কনকলাল বৰুৱাই Early History of Assam-ত মহামাণিক্যক ত্ৰিপুৰাৰ শেষ চতুৰ্দশৰ ৰজা বুলি কৈছে। দেৱেন্দ্ৰনাথ বেজবৰুৱাই আকৌ মহামাণিক্যক নামধাৰী জয়ন্তীয়া ৰজা বুলি কলেও ড° ডিম্বেশ্বৰ নেওগে যুক্তি খণ্ডন কৰিছে কাৰণ জয়ন্তীয়া-সকলে ষোড়শ শতিকাতহে যুগতালৈ আহে। বুৰঞ্জীত উল্লেখিত বাণপুৰ আৰু সোণাপুৰ ৰাজ্যৰ প্ৰতিষ্ঠাতা বিক্ৰমাদিত্যৰ পুত্ৰকে মহামাণিক্য বুলি পোৱা যায় কিন্তু বৰাহ বুলি উল্লেখ নাই।

বৰাহীসকল হল হিন্দুধৰ্মী কছাৰীসকলৰ এটি ঠাল।

হেমচন্দ্ৰ গোস্বামীৰ মতে এই বৰাহী কছাৰীসকলে ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ এক বিস্তৃত অঞ্চলত ৰাজত্ব কৰিছিল। কছাৰী বুৰঞ্জীত পোৱা এই মহামাণিক্যই কন্দলীৰ পৃষ্ঠপোষক নোহোৱাৰ কোনো যুক্তি নাই। মহামাণিফৰ বুলি যকা এইজনৰ নাম মহামাণিক্য হোৱাত হয়তো লিপিকাৰৰ অসাৱধানতাৰ পাঠনাম বুলি ড° মহেশ্বৰ নেওগে উদ্বেগ প্ৰকাশ কৰিছে।

'কবিৰাজ কন্দলী'ৰ কন্দলী উপাধি নহৈ তেওঁলোকৰ পাণ্ডিত্যৰ পৰিচয় জ্ঞাপক বিশেষণো হোৱাত যুক্তি নোহোৱা নহয়। কাৰণ অনন্ত কন্দলীয়ে কন্দলী উপাধিটো তৰ্ক-বিদ্যাৰ নৈপুণ্যতাৰ বাবে লাভ কৰা বুলি উল্লেখ কৰিছে। আকৌ কন্দলী উপাধিধাৰী লোক অসমত পোৱা যায় বিশেষকৈ মধ্য অসমত। মধ্য অসমৰ নগাঁৱত কন্দলী নামাকৰণেৰে এটা মৌজাও আছে।

ইতিহাসৰ ইমানবোৰ খুলা-মেলা, জল্পনা-কল্পনা, অনিশ্চয়তাৰ মাজত ড° বাণীকান্ত কাকতিয়ে ভাষাতাত্ত্বিক দৃষ্টিভংগীৰে বিচাৰ কৰি মাধৱ কন্দলী মধ্য অসমৰ আছিল বুলি দৃঢ়তাৰে কোৱা কথাটোক গুৰুত্ব দি লগতে Assamese Its Formation and Development-ত উল্লেখিত - চতুৰ্দশ শতিকাৰ অসমত মাধৱ কন্দলীৰ ভাষা হয় পশ্চিম, নহয় মধ্য অসমৰ বুলোৱা বুলি কোৱাটো অতি যুক্তিযুক্ত কথা। এনেদৰে ভাষাতাত্ত্বিক দৃষ্টিৰে পোৱা সময়ৰ ধাৰণাটোৰেই কন্দলীৰ কাব্য চৰ্চাৰ ইতিহাসত ক্ষেত্ৰত পোৱা এটা দৃঢ় খোপনি।

অসমৰ জনসমাজত প্ৰচলিত কথ্যভাষাক কাব্য ভাষা হিচাপে প্ৰতিষ্ঠা কৰাত মাধৱ কন্দলীৰ কৃতিত্ব অতুলনীয়। কবিৰ অতুলনীয় কাব্যিক প্ৰতিভাৰ পৰিচয় ৰামায়ণত আমি পাবলৈ পোৱা যায়। কন্দলীৰ কাব্য প্ৰতিভাৰ আলোচনা বেলেগকৈ কৰাৰ প্ৰয়োজনেই নাই কাৰণ অসমীয়া জাতীয় জীৱনৰ অন্যতম সুবোধী ব্যক্তি তথা সাহিত্য জগতখনো যাক বাদ দি সম্পূৰ্ণ নহয়, সেইজনা ব্যক্তি মহাপুৰুষ শংকৰদেৱে কন্দলীৰ কাব্য প্ৰতিভাক স্বীকৃতি দিছে এইদৰে -

"পূৰ্বকবি অপ্ৰমাদী মাধৱ কন্দলী আদি
বিৰচিলা পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা॥"

কন্দলীৰ কাব্য প্ৰতিভাৰ ৰহণ, চৰিত্ৰ চিত্ৰণ, প্ৰকৃতি বৰ্ণন, নগৰৰ বৰ্ণনা, স্থানীয় ৰহণ, অলংকাৰ, ৰস, শব্দ প্ৰয়োগ, চৰিত্ৰৰ মুখৰ ভাষা আদিৰ মাজেদি বিয়পি পৰিছে। কবিৰ দক্ষ হাতৰ পৰশত প্ৰতিটো চৰিত্ৰই - লাগে সেয়া ৰাৱণেই হওক বা হনুমানেই হওক, সীতা, কৈকেয়ী, কুঁজী আদি সকলো কবিৰ লোক ব্যৱহাৰে আদৰ্শৰে প্ৰাণ পাই উঠিছে। মূল 'ৰাম' চৰিত্ৰটোক আদৰ্শবান ৰূপত দেখুৱাবলৈ যৈ কন্দলীয়ে ৰামক দেৱত্বৰ আৱৰিত থোৱা নাই, লগতে অন্যান্য চৰিত্ৰসমূহকো লোক সমাজৰ চিনাকী তকো একোটা চৰিত্ৰ হিচাপে উপস্থাপন কৰিছে।

এই চৰিত্ৰসমূহৰ মুখত ব্যৱহৃত লোক সমাজৰ ভাষা প্ৰয়োগে তেওঁলোকক আমাৰ একান্তই আপোন কৰি পেলাইছে আৰু ইয়ে কন্দলীৰ কাব্য প্ৰতিভাৰ চানেকি ধৰিবলৈ যথেষ্ট।

কন্দলীৰ কাব্য প্ৰতিভাৰ পৰিচয়ৰ স্বকীয়ত্ব লুকাই আছে চৰিত্ৰৰ মনোভাৱ প্ৰকাশত তেওঁৰ দক্ষতাৰ ক্ষেত্ৰত। সীতাৰ মনোভাৱৰ বৰ্ণনাত —

কমন অদ্ভুত মোক হীন কৈলিলাহা।
কি কাৰণে প্ৰভু মোক উপেক্ষিয়া যাহা॥

এনেদৰে চৰিত্ৰৰ মনোভাৱ প্ৰকাশক বৰ্ণনাৰে মাজেদি কবিয়ে উপযুক্ত শব্দ সম্ভাৰৰ বিপুল প্ৰয়োগ কৰিছে। ঘৰুৱা দুটি দুটি বাক্যই বস্তু প্ৰসংগক কমনীয় কৰিছে এইদৰে-

শাপিনী নাগিনী নিকৰুণী সংহাৰিণী।
নিৰ্দয়িনী ৰাক্ষসনী বাঘিনী দাৰুণী॥

ঘৰুৱা প্ৰকাশভংগীৰ কাৰণে ফকৰা-যোজনা, পৰিৱেশে বৰ্ণনীয় বিষয় প্ৰণালী, প্ৰসাৰৰ লগত খাপ খুৱাই পৰিস্থিতি অনুসৰি আৰু বক্তা-শ্ৰোতাৰ স্তৰ অনুযায়ী লোক-ব্যৱহাৰৰ ভাষা প্ৰয়োগক কন্দলীয়ে সুষম ৰূপত প্ৰয়োগ কৰিছে। 'বৃদ্ধৰ তৰুণী ভাৰ্যা', 'কৈকেয়ীৰ অষ্টমীৰ জাগ' আদিৰ লগতে তেখেতে ব্যৱহাৰ কৰা লোক ভাষাৰ উদাহৰণ হ'ল -
'বুঢ়া শালিকাৰ যে চকু ভৰ কাঢ়া'

এনেধৰণৰ প্ৰতিভাৰ বাবেই শংকৰদেৱে তেওঁক 'অপ্ৰমাদী' আখ্যা দিছে, ডঃ মহেশ্বৰ নেওগে - 'কন্দলীৰ লেখাত বাংগালী প্ৰকৃতিৰ পৰিচয় পোৱা যায় বুলিছে।

পাণ্ডিত্যৰ ব্যাপক মাধৱকন্দলীৰ ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কবিৰ প্ৰতিভাৰ পৰিচয় তলত আছে-

তাইৰ সন্তাপে ধাম দশ গুণে চণ্ড।
শৰীৰ মাংসক কৰিলা খণ্ড বিখণ্ড॥

উপযুক্ত ধ্বনি বিন্যাসৰ দ্বাৰা ইয়াত তাৰৰ প্ৰচণ্ড ক্ৰোধ যিদৰে ব্যঞ্জিত হৈছে, সেইদৰে সুকুমাৰত্বও দেখা যায়।-

ৰাজহংস দেখা সীতাক তোমাৰ গমন,
চক্ৰবাক যুগল তোমাৰ দুই স্তন॥

প্ৰকৃতিৰ বৰ্ণনা, নগৰৰ বৰ্ণনা আদিৰ মাজেদিও আমি তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় পাওঁ-

বসন্ত সময়ে কাম বজাৱ পয়াণ।
পুষ্পৰ ধনুত আৰোহিয়া পঞ্চবাণ॥

প্ৰিয়া আৰু প্ৰকৃতিক একাকাৰ কৰি তুলিছে এইদৰে-

জনকৰ জীউ দেখা নদী মন্দাকিনী,
তোমাৰ সদৃশ সুশোভিত মধ্যক্ষিণী॥

অযোধ্যা নগৰীৰ বৰ্ণনাৰ লগতে ৰাৱণৰ লংকাপুৰীৰো অনুপম ৰূপৰ মনোমোহা বৰ্ণনাৰে পাঠকক মানসিক খোৰাকৰ যোগান ধৰিছে।-

হাসো হাসো কৰি অযোধ্যা সম্প্ৰতি।
নৃত্য গীত বাদ্য যেন দেখি অমৰাৱতী॥

কন্দলীৰ কাব্য প্ৰতিভাৰ মৌলিকত্ব হ'ল অনুবাদৰ মাজত উপযুক্ত ভাবে দিয়া স্থানীয় ৰহণ। তেওঁ ইয়াৰ মাজত

সমসাময়িক অসমীয়া লোক সমাজক প্ৰতিফলিত কৰি এক সৌষ্ঠৱপূৰ্ণ স্বকীয়তা দান কৰিছে। অসমীয়া লোক-সমাজত বৃদ্ধলোকৰ উপদেশ মানি চলা হয়—

মোহোৰ সমান বৃদ্ধ নাহি নিৰন্তৰ,
আমি কথা কওঁ শুনা যুৱত কালৰ॥

চিত্ৰকূট বনৰ তথা স্বৰ্ণলংকাৰ চৰাই-চিৰিকতি, গছ-গছনিৰ মাজত কবিয়ে অসমৰ চৰাই-চিৰিকতিক দেখিছে—

সুবৰ্ণৰ হংস লৰু আলি চক্ৰবাক,
সুবৰ্ণৰ শৰালি উৰয় জাকে জাক॥

বিভিন্ন বিধ উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি অলংকাৰৰ প্ৰয়োগৰ লগতে প্ৰায় সকলোবিধ ৰসৰ সোৱাদেই আমি কন্দলীৰ ৰামায়ণত পাওঁ। অলংকাৰ প্ৰয়োগত কবি সিদ্ধহস্ত—

দশৰথ সাগৰ তৰং নদী আই,
অলপতে শুখাই যাইবি জানিলোহো মই॥

এইদৰে স্বকীয় মৌলিকত্বৰে মাধৱ কন্দলীয়ে ৰামায়ণৰ অনুবাদেৰে অসমীয়া ভাষা-সাহিত্যক গৰীয়ান কৰি তোলাৰ লগতে নিজকে এগৰাকী অসাধাৰণ প্ৰতিভাৰ কবি হিচাপেও প্ৰতিষ্ঠা কৰি থৈ গ'ল।

কবি কন্দলীৰ কাব্য প্ৰতিভাৰ বিচাৰত তেওঁৰ ভণিতা-যুক্ত অন্যতম গ্ৰন্থ 'দেৱজিত'ৰ কথাও আলোচনা কৰাটো প্ৰয়োজন। 'দেৱজিত'ত কন্দলীৰ এনেদৰে ভণিতা আছে—

মাধৱ কন্দলী অতিশয় হৈতো পদ,
তাকে শুনি এত নৰে তৰোক আপদ॥

দেৱজিত কাব্যত 'কৃষ্ণৰ বন্দনাকে মুখ্য কৰি কাহিনীভাগ পল্লৱিত ৰামায়ণত ৰাম চৰিত্ৰৰ নিচিনাকৈ। কাব্যখনত যুদ্ধৰ বৰ্ণনাৰ লগতে দ্বাৰকাৰ নিৰ্মাণ আৰু বৈভৱৰ বৰ্ণনা চকুত লগা-

কৃষ্ণৰ নগৰ জলে ভুয়া মহা কৌতি।
সাক্ষাতে জলয় যেন ইন্দ্ৰ অমৰাৱতী ॥
সাগৰ মধ্যত কৃষ্ণ পাতিলন্ত গ্ৰাম।
সেহিশে কাৰণে হৈলা দ্বাৰকা জে নাম ॥

এই কথা ঠিক যে দেৱজিত কাব্যৰ গুণগত মানদণ্ড ৰামায়ণৰ তুলনাত নিম্ন। কন্দলীৰ ৰামায়ণত শব্দ চয়নৰ নিপুণতা, সাংগীতিক লয়, ছন্দ-অলংকাৰৰ প্ৰাঞ্জল প্ৰকাশতা আৰু ৰসৰ গভীৰ ব্যঞ্জনা দেৱজিত কাব্যত নাই। ফলস্বৰূপে ইয়াক লৈ প্ৰশ্ন উঠাটো স্বাভাৱিক।

মুঠতে মাধৱ কন্দলীৰ কবি পৰিচয় আৰু কাব্য প্ৰতিভাৰ এটি স্থূলমূল আভাস দাঙি ধৰাৰ চেষ্টাহে ইয়াত কৰা হ'ল। ভৱিষ্যতে তেখেতৰ ৰামায়ণ আৰু দেৱজিত কাব্যৰ বিষয়ে অধিক গৱেষণাৰ জৰিয়তে আৰু ন ন দিশ উন্মোচিত হোৱাৰ যথেষ্ট থল আছে।

## জীৱনকাল

কছাৰী বা বৰাহী ৰজা মহামাণিক্যৰ ৰাজধানীৰ স্থান বা ৰাজত্বৰ সময়ৰ বিষয়ে কোনো ঐতিহাসিক প্ৰমাণ নাই, এই সম্পৰ্কে হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, বাণীকান্ত কাকতি, বেণুধৰ শৰ্মা আদিৰ মত অনুসৰি খ্ৰীষ্টীয় চতুৰ্দশ

শতিকাৰ মাজভাগত বৰাহী ৰজা মহামাণিক্যই নগাঁৱৰ কপিলী উপত্যকা অঞ্চলত শাসন কৰিছিল আৰু উজানিৰ সোণাপুৰত (সম্ভৱতঃ শিৱসাগৰৰ সোণাৰি অঞ্চল) ৰাজধানী পাতিছিল। এইজন ৰজাৰে ৰাজসভাত প্ৰাক্-শংকৰী কবি মাধৱ কন্দলিয়ে কাব্য চৰ্চা কৰিছিল। মাধৱ কন্দলিৰ আন এটা নাম "কবিৰাজ কন্দলি", সম্ভৱ তেওঁৰ কবিত্ব শক্তিৰ বাবেই পিছলৈ এই নাম পায়।

## কাব্যকৃতি

হিন্দু ধৰ্মত দীক্ষিত হোৱা ৰজা মহামাণিক্যৰ অনুৰোধ-ক্ৰমে মাধৱ কন্দলিয়ে বাল্মীকিৰ ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল। মাধৱ কন্দলিৰ প্ৰায় এশ বছৰ পিছত অৰ্থাৎ ১৫শ শতিকাৰ দ্বিতীয়াৰ্ধত 'কৃত্তিবাসী ৰামায়ণ' আৰু ১৬শ শতিকাৰ অৰ্দ্ধম দশকত তুলসীদাসৰ 'ৰাম-চৰিত মানস' ৰচিত হয়।

মাধৱ কন্দলিয়ে সহজ-সৰলকৈ সাধাৰণ ৰাইজৰ বাবে এই কাব্য ৰচনা কৰিছিল। ইয়াৰ বিৱৰণসমূহত অসমীয়া ভাষা প্ৰথম অৱস্থাৰ ৰূপ দেখা পোৱাৰ লগতে সেইসময়ৰ প্ৰচলিত ৰীতি-নীতিৰো আভাস পোৱা যায়। ভাষাৰ সৰলতা আৰু কাব্যিক গুণলৈ লক্ষ্য কৰি মাধৱ কন্দলিৰ ৰামায়ণক অসমীয়া সাহিত্যৰ এক অন্যতম গুৰুত্বপূৰ্ণ অৱদানৰূপে গণ্য কৰিব পাৰি। পিছৰ যুগৰ কবিসকলক ই প্ৰভাৱিত কৰিছিল আৰু তেওঁ-লোকৰ ৰচনাৰ বাবে ই এক মানদণ্ড আছিল।

ৰাজনৈতিক খেলিমেলিৰ মাজত মাধৱ কন্দলিৰ ৰামায়ণৰ দুটা কাণ্ড হেৰাই যায়। পিছত নৱবৈষ্ণৱ ধৰ্মীয়ৰ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে এই কাণ্ড দুটা সংস্কৃতৰ পৰা অনুবাদ কৰি মূল কাব্যৰ লগত সংযোগ কৰে। "গুৰু-চৰিত" ইয়াৰ বিষয়ে এটা কাহিনী পোৱা যায়। কাহিনীমতে অনন্ত কন্দলিয়ে ভক্তিৰসৰ আধাৰত ৰামায়ণৰ এক নতুন অনুবাদ কৰি মাধৱ কন্দলিৰ ৰামায়ণক লুপ্ত কৰিব বিচাৰিছিল। তেতিয়া মাধৱ কন্দলিয়ে শংকৰদেৱক সপোনত দেখা দি ইয়াৰ সংৰক্ষণৰ বাবে অনুৰোধ জনায়। তাৰ পিছত শংকৰদেৱে মাধৱদেৱক আদিকাণ্ড লিখিবলৈ দি নিজে উত্তৰাকাণ্ড লিখি উলিয়ায়। মাধৱ কন্দলিয়ে এই কাণ্ড দুটা আগতে ৰচনা কৰিছিল নে নাই তাৰ কোনো প্ৰমাণ পোৱা নাযায়।

"দেৱজিৎ" নামৰ ১৩শ পদৰ আন এখন কাব্যত মাধৱ কন্দলিৰ ভণিতা পোৱা যায়। ইয়াত নৰনাৰায়ণ অৰ্থাৎ অৰ্জুন আৰু কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। কৃষ্ণৰ সহায়ত অৰ্জুনে স্বৰ্গৰ দেৱতাসকলক কেনেকৈ জিনিবলৈ সক্ষম হ'ল তাৰ বিৱৰণ পোৱা যায়। এই ৰচনাত পিছৰ কালত প্ৰসাৰ পাবলগীয়া নৱবৈষ্ণৱ ধৰ্মৰ ছাঁ দেখিবলৈ পোৱা যায়। এই পুথিৰ কোনো কোনো ঠাইত কেৱল 'মাধৱ' নামহে পোৱা যায় আৰু ইয়াৰ ভাষাও 'কথা-ৰামায়ণ'ৰ লগত নিমিলে। মাধৱ কন্দলিৰ ছদ্মনাম লৈ আন কোনো কবিয়ে এইখন ৰচনা কৰিছে বুলি ধাৰণা কৰা হয়।